... গান্ধী

# অসম আদিত্য

৩ ব'হাগ, ১৯৪৭ শক ■ বৃহস্পতিবাৰ, ১৭ এপ্ৰিল, ২০২৫ ■ Asom Aditya, Dibrugarh, Thursday, April 17, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা...


## শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনলৈ হনুমানবক্স কানৈ সন্মান



### ১৯ এপ্ৰিলত প্ৰদান কৰা হ'ব বঁটা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১৬ এপ্ৰিল ঃ** ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ উদ্যোগত পোনপ্ৰথমবাৰৰ বাবে কানৈ মহাবিদ্যালয়ৰ অন্যতম প্ৰাণ প্ৰতিষ্ঠাতা, দানবীৰ, ৰায়চাহাব, পদ্মশ্ৰী হনুমানবক্স কানৈৰ মৃত্যুতিথি ১৯ এপ্ৰিলত

৬ পৃষ্ঠাত



## ফুল ফুলিছে ... মাৰাঠী দম্পতী ...

## ব্ৰিটেইন... ৰঙালী ...

**নিউকাছল, ১৬ এপ্ৰিল ঃ** বিহু ... কৰি সাত সাগৰ তেৰ নদী ... উদ্‌যাপন কৰিছে। ইংলেণ্ডৰ ...

# অসম আদিত্য

...ব'হাগ, ১৯৪৭ শক ■ বৃহস্পতিবাৰ, ১৭ এপ্ৰিল, ২০২৫ ■ Asom Aditya, Dibrugarh, Thursday, April 17, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ...


...ৰা...

## ...ীত উঠি আহিল

...ৰা হিলদল ভাঙি বিহুপ্ৰেমীৰ উপস্থিতিত হ'ল।
...টো। সমন্বয়-সম্প্ৰীতিৰ বাৰ্তা বহন কৰি হুঁচৰিৰ
...ৰ সংমিশ্ৰণৰে ৰংঘৰৰ সন্মুখৰ মুকলি আকাশৰ
...খৰিত কৰি তুলিলে ৰংঘৰৰ চোতাল। আহোম
...ৰ বুকুত কালি পহিলা ব'হাগৰ দিনা বকতাৰ
...শিৱসাগৰৰ গোমচেং বিহু দল, মৰাণৰ এনাজৰী,
... সমন্বয় বিহু দল, দৰিকাপৰীয়া নিমাইজান জেং
... পছোৱা হুঁচৰি দলে হুঁচৰি, বিহুনাচেৰে জীপাল
... উদ্যোগত বৃহত্তৰ ৰংপুৰ ৰঙালী বিহু উদ্‌যাপন
... মুকলি বিহুৰ অনুষ্ঠানলৈ কালি স্বতঃস্ফূৰ্তভাৱে
...কৰিলে। জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে বিহুপ্ৰেমীৰ
...তোলে। একপ্ৰকাৰে কালি জনসমুদ্ৰলৈ পৰিণত
...পুৰা উদ্‌যাপন সমিতিৰ মুখ্য ব্যৱস্থাপক তথা
... গগৈয়ে মুকলি বিহুৰ আৰু কাৰ্যকৰী সভাপতি
...ৰাৰ পিছত মৈদাম তৰ্পণেৰে পূৰ্বপুৰুষৰ প্ৰতি

## শক্তিমন্ত্ৰী প্ৰশান্ত ফুকনলৈ হনুমানবক্স কানৈ

উদ্‌যাপন কৰা হ'ব। হনুমানবক্স কানৈৰ মৃত্যুতিথিৰ লগত সংগতি ৰাখি অনুষ্ঠিত হ'বলগীয়া 'অসমৰ উচ্চ শিক্ষা ঃ অতীত, বৰ্তমান আৰু ভৱিষ্যৎ' শীৰ্ষকবক্তৃতানুষ্ঠানত বক্তৃতা প্ৰদান কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ অধ্যক্ষ (শৈক্ষিক) ড° অলক কুমাৰ বুঢ়াগোহাঁয়ে। অনুষ্ঠানত 'হনুমানবক্স কানৈ সোঁৱৰণী বঁটা' প্ৰদান কৰা হ'ব শক্তি, দক্ষতা, নিয়োগ, উদ্যমিতা দপ্তৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনক। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰিবলগীয়া অনুষ্ঠানটোত ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী, ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ দাতা সদস্য জ্যোতিপ্ৰসাদ কানৈকে ধৰি অনেক গণ্য-মান্য ব্যক্তি উপস্থিত থাকিব। মনকৰিবলগীয়া যে প্ৰথমবাৰৰ বাবে আয়োজন কৰা স্বপ্নদ্ৰষ্টা দানবীৰ হনুমানবক্স কানৈৰ এই মৃতুতিথিত দেশৰ বিভিন্ন প্ৰান্তত থকা কানৈৰ পৰিয়ালবৰ্গ উপস্থিত থাকিব। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ উদ্যোগত, জ্যোতিপ্ৰসাদ কানৈৰ আৰ্থিক সাহায্যত আৰু সুমন দত্তৰ সম্পাদনাত প্ৰকাশ পাবলগীয়া গৱেষণালব্ধ 'ৰায়চাহাব কানৈ' শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰিব শক্তি, দক্ষতা, নিয়োগ, উদ্যমিতা দপ্তৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে। এই গ্ৰন্থখনত হনুমানবক্স কানৈৰ জীৱনৰ বহু নতুন কথা পোহৰলৈ আহিব। উল্লেখ্য যে জ্যোতিপ্ৰসাদ কানৈ আৰু অধ্যক্ষগৰাকীৰ যুটীয়া সম্পাদনাত অসমৰ উচ্চশিক্ষা জগতৰ অন্যতম বাটকটীয়া, স্বপ্নদ্ৰষ্টা হনুমানবক্স কানৈৰ জীৱনৰ ওপৰত অসমীয়া ভাষাত প্ৰথমবাৰৰ বাবে 'দানবীৰ কানৈ' শীৰ্ষক ৪০ পৃষ্ঠাৰ এখন গ্ৰন্থ ২০২১ চনৰ জুলাই মাহত প্ৰকাশ পাইছিল। এইবাৰ বৰ্ধিত আকাৰত তেওঁৰ জীৱনৰ ওপৰত আন এখন গ্ৰন্থ প্ৰকাশ পাব। অনুষ্ঠানৰ লগত সংগতি ৰাখি সুৰজমল কানৈৰ এটি প্ৰতিমূৰ্তিও মহাবিদ্যালয় চৌহদত উন্মোচন কৰা হ'ব। ৮০ বছৰ গৰকা এই পুৰণি মহাবিদ্যালয়খনৰ অন্যতম প্ৰাণ প্ৰতিষ্ঠাৰ গৰাকী হনুমানবক্স কানৈৰ এই মৃত্যুতিথিত সকলোৰে সহযোগিতা কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

## ব্ৰিটেইনৰ নিউকাচলত ৰঙালী বিহু উদ্‌যাপন

## নাওশলীয়া আৰক্ষী চ...

জুটুলিবাৰী চাহ বাগিচাৰ ২০ নম্বৰ লাইনত এখন গৰু কটিওৱা টাটা এচি গাড়ীক কেন্দ্ৰ কৰি দুটা ফৈদৰ মাজত প্ৰথমে তৰ্কাতৰ্কি আৰু পিছলৈ হতাহতি পৰ্যন্ত হয়। আনহাতে, এই ঘটনাৰ ফলত উক্ত স্থানত বহুলোকৰ সমাৱেশ ঘটে আৰু পৰিৱেশ উত্তপ্ত হৈ পৰে। পিছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰা লগতে এজন যুৱক সোধা-পোছাৰ বাবে থানালৈ লৈ যায়। লগতে আৰক্ষীয়ে পিছদিনা এই সন্দৰ্ভত আলোচনাৰ বাবে অঞ্চলটোৰ কেইজনমান প্ৰতিনিধিক থানালৈ মাতি থৈ আহে। কিন্তু এই ঘটনাক কোনো লোকে অন্য ৰূপ দি অপপ্ৰচাৰ চলোৱাত কালি অঞ্চলটোৰ হাজাৰ হাজাৰ চাহ জনজাতিৰ লোক ওলাই আহি নাওশলীয়া আৰক্ষী চকীত এক অৰাজক পৰিৱেশৰ সৃষ্টি কৰে। উত্তেজিত লোকসকলে নাওশলীয়া আৰক্ষী চকী ঘেৰাও কৰি আৰক্ষীৰ জিম্মাত থকা লোকজনক ৰাইজৰ হাতত গতাই দিবলৈ দাবী জনায়। উত্তেজিত জনতাই থানাত আক্ৰমণ চলোৱাৰ উপৰি আৰক্ষীৰে হোৱা হতাহতিত লিপ্ত হোৱাত এজন আৰক্ষীৰ লোকো আহত হয়। ইফালে আটক কৰা যুৱকজনৰ